# যৌথ পৰিয়াল আৰু বৰ্তমান

❑ শ্ৰীপ্ৰফুল্ল চন্দ্ৰ গোস্বামী
কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ

ভাৰতীয় সমাজ জীৱনৰ আধাৰ হৈছে যৌথ পৰিয়াল। সভ্যতাৰ ক্ৰমোন্নতিৰ লগে লগে ভাৰতীয় সমাজ ব্যৱস্থাত গঢ়লৈ উঠা পৰিয়ালৰ পৰিকল্পনা এক সুশৃংখলিত জীৱন ধাৰণৰ সুদৃঢ় ভেটি। সেই বাবেই 'যৌথ পৰিয়াল' ব্যৱস্থা বৰ্তি থকালৈকে ভাৰতীয় সমাজ জীৱনক আদৰ্শ জীৱনশৈলী ৰূপে গণ্য কৰি অহা হৈছে।

ভাৰতীয় সনাতন সাহিত্যত এই যৌথ পৰিয়ালৰ ধাৰণা অতীৱ প্ৰাচীন কালৰে পৰা উল্লেখ কৰি অহা হৈছে। বিশেষকৈ ৰামায়ণ-মহাভাৰত, এই দুই মহাকাব্য, পুৰাণ সাহিত্য, পৰৱৰ্তীকালত ৰচিত কাব্য, নাটক-উপন্যাস, গদ্য সাহিত্য আদি গ্ৰন্থ সমূহত আদৰ্শ-জীৱন প্ৰণালীৰ মূল অধাৰ স্বৰূপ 'যৌথ পৰিয়াল'ৰ প্ৰসংগ মন কৰিবলগীয়া। ঊনবিংশ শতিকাৰ মাজ ভাগলৈকে এই যৌথ পৰিয়ালৰ ধাৰণা, সমাজৰ সৰ্বস্তৰতে বিৰাজমান আছিল। সেইবাবেই উক্ত সময়লৈকে ভাৰতীয় সমাজ জীৱনত পশ্চিমীয়া অপসংস্কৃতিয়ে বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল।

এই যৌথ পৰিয়ালৰ একক হৈছে — ককা, আইতা, মা-দেউতা, খুৰা-খুৰি, দাদা-ভাই, ভাই-ভনী, পুত্ৰ-কন্যা সকলো মিলি একে লগে থকা-খোৱা, চিন্তা চৰ্চা কৰা। উপনিষদত কৈছে ঃ

'সহনাৱৱতু সহনৌ ভনক্তু, সহবীৰ্য্যং কৰৱাৱহৈ।
"তেজস্বী নাৱধীতমস্তু মা বিদ্বিষাৱহৈ।।"

এই সহযোগিতা মূলক অৱধাৰণামতে পৰিয়ালৰ সৰু-ডাঙৰ, ডেকা-বুঢ়া, পুৰুষ-মহিলা সকলোৱেই পৰস্পৰৰ প্ৰতি দায়বদ্ধ, ইজন আনজনৰ প্ৰতি নিৰ্ভৰশীল। অৰ্থাৎ পৰিয়ালৰ এজন সদস্যৰ দুখত, আনসকলো সুখী অথবা এজনৰ দুখত আনসকলো দুখী হোৱাটো অতি স্বাভাৱিক। ইয়াৰ দ্বাৰা পৰিয়ালৰ পৰস্পৰৰ মাজত দয়া-মৰম, প্ৰেম, প্ৰীতি, স্নেহ-শ্ৰদ্ধা, আনন্দবিষাদ, ত্যাগ-ভালপোৱা, দান-প্ৰতিদান, সুখ-দুখ, শান্তি-অশান্তি আদি সকলো মানৱীয় মূল্যবোধ সমভাৱে বৰ্তি থাকে। এনেবোৰ পৰিয়ালত বাস কৰা লোকসকল সাধাৰণতে নিঃস্বাৰ্থপৰায়ণ, সামাজিক দায়বদ্ধ, সহানুভূতিশীল, কষ্টসহিষ্ণু, সাহসী, ত্যাগী, সত্যবাদী নিজ কৰ্তব্যৰ প্ৰতি সদায় সজাগ হয়। এই সমস্ত মহৎ গুণ বৰ্তি থাকে যৌথ পৰিয়ালৰ প্ৰত্যেকজন ব্যক্তিৰ জীৱনত। এনে উদাৰ তথা বিশ্ব ভ্ৰাতৃত্বৰ ভাব শিশুহঁতক সৰুকালতে বুজাব পাৰিলে, ভৱিষ্যতে ইয়াৰ সুফল নিশ্চয় পোৱা যাব। এই বিষয়ে সনাতন সাহিত্যত কোৱা হৈছে ঃ

ইদং মম পৰোৱতি গণনা লঘুচেনষাম।
উদাৰ চৰিতাং তু ৱসুধৈৱ কুটুম্বকম্।।

(এইটো মোৰ, এইটো আনৰ, এনে ভাব কেৱল অজ্ঞানী লোকেহে কয় ; কিন্তু উদাৰ মনৰ

লোক সকলে ঘৰখনৰ লগতে সমস্ত বিশ্বখনকে আপোন বুলি ভাবে।)

এনেবোৰ আদৰ্শমূলক চিন্তাভাবনা, কেৱল যৌথ পৰিয়ালতহে সম্ভৱ।

সেই বাবেই তাহানিৰ যৌথ পৰিয়ালবোৰত বসবাস কৰা লোকসকলৰ জীৱনধাৰণ প্ৰণালী, আজিৰ দিনত গল্প, নাটক, উপন্যাসৰ চৰিত্ৰ বুলিহে বৰ্তমানৰ প্ৰজন্মই ক'ব বিচাৰে। কাৰণ বৰ্তমান সামাজিক বা ৰাজহুৱা জীৱনত চৰিত্ৰ বা অনুশাসন বুলি কোনো বস্তু নাইকীয়া হৈছে। পৰিয়ালবোৰ ভাগে ভাগে ক্ষুদ্ৰ ক্ষুদ্ৰ আকাৰত পৰিণত হৈছে। প্ৰত্যেকে নিজৰ নিজৰ সুখৰ সন্ধানত অত্যন্ত স্বাৰ্থপৰ হৈ পৰিছে। 'আমি দুই আমাৰ দুই' এই ধাৰণাৰ ফলত একোটা পৰিয়ালৰ জ্যেষ্ঠ বা কনিষ্ঠ, বৃদ্ধ-বৃদ্ধাসকলৰ প্ৰতি অনুজসকলৰ দায়বদ্ধতা প্ৰায় নোহোৱাৰ নিচিনা হৈছে। ইয়াৰ সমান্তৰাল হিচাবে ব্যক্তিগত চৰিত্ৰৰ দ্ৰুত অৱনতি ঘটিছে।

যৌথ পৰিয়ালৰ বিশেষ কিছুমান ইতিবাচক গুণ আছে। ল'ৰা-ছোৱালীবোৰৰ সৰুকালতে চৰিত্ৰ গঠনৰ পাঠ, চেমনীয়া কালত বয়ঃসন্ধিক্ষণত জানিবলগীয়া দৰকাৰী যৌন সম্বন্ধীয় কথা, ডেকা-গাভৰুসকলে সংসাৰ যাত্ৰাত পালনীয় বিশেষ অনুশাসনমূলক বিষয়, জাতীয় জীৱনৰ সভ্যতা-সংস্কৃতি, লোক-কলা, গাৰ্হস্থ্য জীৱন-প্ৰণালী আদি অনেক মূল্যবান বিষয়ৰ শিক্ষা, ঘৰৰ ককা-আইতা, মা-দেউতা আদি জ্যেষ্ঠ সকলৰ পৰাই পৰম্পৰাৰূপে প্ৰাপ্ত হয়। বিশেষকৈ গৰমৰ দিনত বা আজৰি সময়ত সন্ধিয়া জোনাকৰ মনোৰম পোহৰত, মুকলি আকাশৰ তলত, চোতালত ঢাৰি-পাটি পাৰি ঘৰৰ কণ কণ ল'ৰা-ছোৱালীবোৰক ক'কা-আইতাহঁতে সাধুকথা কয়। এই সাধু কথাবোৰৰ বিষয়বস্তু সাধাৰণতে ৰামায়ণ-মহাভাৰতৰ কাহিনী, বুঢ়ী আইৰ সাধু, পঞ্চতন্ত্ৰৰ সাধু আৰু অনেক লোককথাৰে ভৰপুৰ। এই সাধুকথাৰ মেলত ল'ৰা-ছোৱালীবোৰে হাঁহি-ধেমালিৰ মাজেৰে অনেক জানিবলগীয়া কথা শিকে। যিবোৰ কথা শিকাৰ বাবে কোনো আনুষ্ঠানিক পাঠ্যক্ৰম কোনো অনুষ্ঠানতে নাই। চৰিত্ৰ গঠনৰ মেৰুদণ্ড স্বৰূপ এই সাধুকথাবোৰৰ ভৱিষৎ জীৱনত যি গভীৰ প্ৰভাৱ আছে তাক ব্যাখ্যা কৰা নিষ্প্ৰয়োজন।

কিন্তু সৰু সৰু পৰিয়ালবোৰত এনেবোৰ মূল্যবান বিষয় জনাৰ কোনো অৱকাশ নাই। পতি-পত্নী দুয়ো সকলো সময়তে ল'ৰা-ছোৱালীহালৰ পঢ়া-শুনা সময়মতে খোৱা-শোৱা, টিউচনলৈ অনা-নিয়া আদি কামতে ব্যস্ত থাকে। সন্তানৰ মনৰ খবৰ লবলৈ তেওঁলোকৰ মুঠেই আহৰি নাই। মা-দেউতাকৰ ব্যস্ততাৰ পূৰ্ণ সুযোগ লৈছে সন্তানে। এই কামত বহুবেছি পৰিমাণে ইন্ধন যোগাইছে দূৰদৰ্শন নামৰ বাকচটোৱে। সন্তানে সুবিধা পালেই দূৰদৰ্শনৰ সন্মুখত বহি কৌতুক দৃশ্যাৱলী চোৱাৰ লগতে অত্যন্ত যৌন উদ্ৰেককাৰী অশ্লীল দৃশ্য চোৱাৰ অভ্যাস গঢ়ি উঠিছে। কণ কণ শিশুহঁতক এনেকৈয়ে এৰি দিছে পশ্চিমীয়া অপসংস্কৃতিৰ মায়া জগতলৈ। সেই শিশুহঁতে ডাঙৰ ৰূপ দিবলৈ গৈ বিভিন্ন অশ্লীল তথা অসামাজিক কামত লিপ্ত হোৱা দেখিবলৈ পাইছোহঁক। এনে অৱস্থাত মাক-দেউতাকে কেৱল নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰাৰ বাহিৰে গত্যন্তৰ নাই। ইয়াৰ ফলত ল'ৰা-ছোৱালীবোৰে জীৱনকালত প্ৰতিটো স্তৰতে বিপদত পৰা দেখিবলৈ পোৱা গৈছে। আনকি বৰ্তমান সমাজত এনেবোৰ তথাকথিত সম্ভ্ৰান্ত শ্ৰেণীৰ পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰৰ দ্বাৰা বহুতো অসমাজিক কাৰ্যকলাপ সংঘটিত হোৱাৰ বাতৰি প্ৰতিনিয়ত সদৰি হৈছে। এনেবোৰ ল'ৰা-ছোৱালীৰ মাজত সমাজৰ জ্যেষ্ঠজনৰ প্ৰতি যথাযোগ্য শ্ৰদ্ধা-সন্মানৰ ভাব, বন্ধু-বান্ধৱৰ প্ৰতি সহনশীলতা, ভাই-ভনী

আদি কনিষ্ঠজনৰ প্ৰতি মৰম-স্নেহৰ আদান-প্ৰদান প্ৰায়েই দেখা নাযায়। যাৰ ফলত এওঁবিলাকৰ মনত অপৰাধ প্ৰৱণতা, হিংসা-বিদ্বেষৰ ভাব, ব্যক্তিগত সুখ-সুবিধা, আমোদ-প্ৰমোদ, নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আসক্তি, বিপৰীত লিংগৰ প্ৰতি অত্যধিক আকৰ্ষণ, অনায়াসে প্ৰচুৰ ধন ঘটাৰ মানসিকতা আদি অনেক নেতিবাচক কাৰকবোৰ সততে গা কৰি উঠে। এনেবোৰ ধ্বংসাত্মক প্ৰবৃত্তিৰ দ্বাৰা বৰ্তমান সমাজ-জীৱন বাৰুকৈয়ে আক্ৰান্ত হৈছে। ইয়াৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে সময়ে সময়ে চৰকাৰী-বেচৰকাৰী বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে নানান উপায়ৰ উদ্ভাৱন কৰিছে যদিও এইবোৰৰ দ্বাৰা বিশেষ ফল হৈছে বুলি আমি নাভাবো।

বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ পৰা দেখা গৈছে যে এই সমস্তবোৰ সমস্যাৰ সমাধানৰ বাবে যৌথ পৰিয়ালৰ ধাৰণা বহু পৰিমাণে আশাপ্ৰদ হ'ব বুলি আমি ভাবো। গতিকে সুস্থ-সবল-গতিশীল-সংস্কাৰমুক্ত সমাজ এখনৰ বাবে যৌথ-পৰিয়ালৰ পৰিকল্পনা এতিয়াও প্ৰাসংগিক বুলি ভবাৰ থল আছে।

ওম্ শান্তিঃ, ওম্ শান্তিঃ, ওম্ শান্তিঃ ।।

---

> " Between the motion and the act
> Between the conception and the creation
> Between the emotion and the response
> Falls the shadow "
>
> – T. S. Eliot